# অসম চৰকাৰ
## উপায়ুক্তৰ কাৰ্য্যালয় :: মৰিগাঁও :: অসম

নং এম,আৰ, এফ. ০২/২০২২/০৪

তাৰিখ - ৩১|০৩|22

## জাননী

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হয় যে মৰিগাওঁ জিলা অন্তৰ্ভূক্ত নিম্নোক্ত মীন সমূহ / মীন মহলৰ বিপৰীতে উল্লেখ কৰা সময়ৰ বাবে নিবিদা যোগে নিলামৰ কাৰণে জিলা উপায়ুক্ত কাৰ্য্যালয়ত ইং-০৭/০৪/২০২২ তাৰিখৰ ভিতৰত দিনৰ ২ বজালৈ কাৰ্য্যালয় খোলাৰ সময়ত নিবিদা গ্ৰহণ কৰা হব । যি সকল লোকে নিবিদা দাখিল কৰিবলৈ ইচ্ছা কৰে তেখেত সকলক উক্ত তাৰিখ ও সময়ৰ ভিতৰত নিবিদা দাখিল কৰিবলৈ জনোৱা হল ।

**তলত দিয়া স্বৰ্ত্ত সাপেক্ষে মীন মহল বন্দোবস্তি দিয়া হবঃ-**

১/ বন্দোবস্তি ভাৰপ্ৰাপ্ত বিষয়াজন সৰ্ব্বোচ্চ নিৰিখৰ নিবিদা গ্ৰহন কৰিবৰ বাধ্য নহয় আৰু মীন মহল বা সমুহীয়া মীন সহমৰ ওপৰত উল্লেখ কৰা নিৰ্দিষ্ট সময়তকৈ কম বা বেছি দিনৰ বাবে বন্দোবস্তি দিয়াৰ ক্ষমতা সংৰক্ষিত হৈ থাকিব ।

২/ এই ৰাজ্যৰ তপচিল ভূক্ত অনুসুচীত সম্পদায়ৰ নাইবা কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ বাহিৰে গঠিত সঃমঃলিঃ য়ে বন্দোবস্তী পোৱাৰ লগে লগেই ১ম বছৰৰ ৰাজহৰ শতকৰা ২৫ ভাগ টকা নগদ জামানতি হিচাপে জনা দিব লাগিব । এই ৰাজ্যৰ তপচিল ভূক্ত অনুসূচীত প্ৰকৃত মাছ মৰীয়া নাইবা কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ শতকৰা ১০০ শতাংশ সভ্যৰ দ্বাৰা গঠিত সঃমঃলিঃ য়ে মীন মহল বন্দোবস্তী পোৱাৰ লগে লগেই ১ম বছৰৰ ৰাজৰৰ শতকৰা ১০ শতাংশ জামিনতি ধন হিচাপে নগত জমা দিব লাগিব ।

যদিহে নিবিদাকাৰীয়ে /নিবিদাকাৰী সঃসঃ যে যাবতীয় জামিনতি ধন জমা দিব নোৱাৰে তেন্তে তেখেতক সঃসঃলিঃৰ দ্বায়িত্বত পুনঃ মীন মহল বন্দোবস্তী দিলে যিমান ৰাজহ ক্ষতি হব সেই ৰাজহৰ সম্পূৰ্ন ক্ষতি বন্দোবস্তী সময়ৰ বাবে তেখেত সকলে আদায় দিব লাগিব ।

৩/ যদি নিব্দাকাৰীয়ে ডাকত লোৱা তাৰিখৰ পৰা এমাহৰ ভিতৰত কবুলিয়ত নামাখন সম্পাদন কৰি দিব নোৱাৰে তেন্তে সেই নিবিদাকাৰীৰ দ্বায়িত্বত মীন মহল পুনঃ বন্দোবস্তী দিয়া হব আৰু পুনৰ বন্দোবস্তীৰ ফলত ক্ষতি হোৱা ৰাজহ বাত্ৰবে সেই নিবিদাকাৰী দায়ী হব ।

৪/ যদি নিবিদাকাৰীয়ে ডাকত লোৱা তাৰিখৰ পৰা এমাহৰ ভিতৰত কবুলিয়ত নামা থন সম্পাদন কৰি দিব নোৱাৰে বা ওপৰৰ ২ আৰু ৩ নং দফাত উল্লেখ কৰা মতে কৰিবলৈ বাধ্য থকা বা কৰিবলগীয়া আৱশ্যকীয় কাম কাৰ্য্যকৰী কৰিব নোৱাৰে তেন্তে মহলদাৰে জমা দিয়া জামিনতি সমূদায় টকা বা তাৰ এটা অংশ বাজেয়াপ্ত কৰিবৰ বাবে উপায়ুক্ত নিৰ্দ্দেশ দিব পাৰিব ।

৫/ ইচ্ছুক নিবিদাকাৰীয়ে ০৭/০৪/২০২২ তাৰিখৰ দিনৰ ২.০০ বজালৈ কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্দ্ধাৰিত নিবিদা বাকচত জমা দিব পাৰিব । নিৰ্দ্ধাৰিত সময়ৰ পিছত কোনো নিবিদা গ্ৰহন কৰা নহব। নিবিদা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত প্ৰয়োজনীয় তথ্যপাতিসহ পূৰণ কৰি নিবিদাসহ তলত উল্লেখ কৰা প্ৰমান পত্ৰ সমূহ সংলগ্ন কৰি জমা দিব লাগিব ।

ক) কৰ আদায়ৰ প্ৰমাণ প্ৰত্ৰ ।
খ) জিলা উপায়ুক্তৰ পৰা বাকীজাই মুক্ত প্ৰমান পত্ৰ ।
গ) অনুসূচীত জাতি/মাইমল সম্পদায়ৰ লোক হোৱাৰ প্ৰমাণ প্ৰত্ৰ ।
ঘ) ১০.০০ (দহ) টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ ।
ঙ) আয়কৰ বিভাগৰ PAN নম্বৰৰ ফটো কপি ।
চ) ভোটাৰ কাৰ্ডৰ ফটো কপি ।
ছ) সমিতি আদিৰ হকে নিবিদা দিয়াৰ কৰ্তৃত্ব প্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়িত ফটো গাঠি দিব ।
জ) বৰ্তমান বৃত্তিত মাছমৰীয়া লোক/মীন পালক হোৱাৰ প্ৰমান পত্ৰ ।

৬/ বাৰ্ষিক ৰাজহ তলত দিয়াৰ দৰে কিস্তি আদায় দিব লাগিব ।

**(২৫% প্ৰথম কিস্তি, ৫০% দৃত্বীয় কিস্তি, ২৫% তৃত্বীয় কিস্তি)**

৭/ বিশেষ ভাবে অনুজ্ঞা নোহোৱাকে মীন মহলত মহাজাল আৰু কইট জালৰ দ্বাৰা মাছ মাৰিব নোৱাৰিব ।

৮/ বিশেষ ভাবে অনুজ্ঞা নোহোৱাকে মীন মহলৰ পানী একেবাৰে শুকাই যোৱালৈকে সিচিব বা বাহিৰলৈ উলিয়াই দিব নোৱাৰিব ।

৯/ মীন মহলৰ মহলদাৰে বা প্ৰতিনিধিয়ে মীন মহল পট্টাৰ যদি কোনো স্বৰ্ত ভঙ্গ কৰে তেনেহলে উপায়ুক্তই সেই পট্টা ৰদ কৰিব পাৰিব আৰু তেনে ঘটনা ঘটিলে পট্টাদাৰে মীন মহলৰ বাবে যিমান টকা আদায় কৰিছিল সেই টকা বাজেয়াপ্ত হব আৰু উক্ত মীন মহলৰ পুনঃ বন্দোবস্তী দিলে চৰকাৰৰ যিমান ৰাজহ ক্ষতি হয়, সেই ক্ষতি পূৰনৰ বাবে পট্টাদাৰ দায়ী থাকিব ।

১০/ স্হানীয় তপচিল ভুক্ত অনুসূচিত বা মাইমল সম্প্ৰদায় মাছমৰীয়াৰ বাহীৰে আন মানুহক উপায়ুক্ত হুকুম নোলোৱাকৈ মীন মহলত কাম কৰিবৰ কাৰণে নিযুক্তি দিব নোৱাৰিব ।

বিলত বৰো খেতি কৰিব নোবাৰিব । বৰো খেতি কৰিলে আইন মতে জগৰীয়া হব।

**১১/ মীন মহল ও সমূহীয়া মীন মহল বন্দোৱস্তীঃ-**

**ক)** ৪০ শতাংশ মীন মহলৰ বন্দোৱস্তীৰ ক্ষেত্ৰত যদিহে প্ৰকৃত মাছ মৰীয়া অনুসূচিত জাতি/ কাছাৰ জিলাৰ মাইমল সম্প্ৰাদায়ৰ অনুসুচীত জনজাতি অন্যান্য পিছপৰা সম্প্ৰদায়ৰ দ্বাৰা গঠিত আৰু অসম সমবায় সমিতি ১৯৪৯ চনৰ আইন মতে পঞ্জীয়ন ভুক্ত মীন সমবায় সমিতি লিঃ আৰু তেনে সম্প্ৰদায় ব্যক্তি বিশেষ উচ্চত্বৰ মূল্যৰ নিবেদাৰ পৰা শতকৰা ৭৫০ ভাগৰ ভিতৰত পৰে, তেনে নিবিদাকাৰী সকলক উচ্চত্বৰ মূল্যত মীন মহল থন গ্ৰহণ কৰাব, গ্ৰহন নকৰা সৰ্ম্পকে নিজৰ মতামত ব্যক্ত কৰিবৰ বাবে সুবিধা দিয়া হব ।

**খ)** যদিহে ৬০ শতাংশ /৪০ শতাংশ মীন মহলৰ বন্দোৱস্তী বাবে দাখিল কৰা উচ্চত্ব মূল্যৰ নিবিদাতকৈ শতকৰা ৭.৫০ ভাগ কম নিবিদাকাৰী যেনে (১) ওপৰত উল্লেখ কৰা সমবায় সমিতি (২) প্ৰকৃত মাছমৰীয়া অনুসূচিত জাতি বা কাছাৰ জিলাৰ মাইমল সম্প্ৰদায় ব্যক্তি (৩) অনুসূচিত জনজাতি বা অন্যান্য পিছপৰা সম্প্ৰদায়ৰ ব্যক্তি হয়, তেন্তে উচ্চত্বৰ মূল্যত মীন মহল থন গ্ৰহন কৰা বা নকৰাৰ সৰ্ম্পকে ওপৰোক্ত ক্ৰম অনুযায়ী তেখেত সকলৰ নিজ মতামত ব্যক্ত কৰিবৰ বাবে সুবিধা দিয়া হল ।

**১২)** নিবিদা চিল কৰা খাম ভিতৰত ভৰাই মীন মহলৰ নিবিদা বুলি লিখি নিম্ন স্বাক্ষৰকাৰীৰ নাম ও ঠিকনা দিব লাগিব । নিবিদা ইং ০৭/০৪/২০২২ তাৰিখৰ ভিতৰত দিনৰ ২(দুই) বজালৈ কাৰ্য্যালয় খোলা থকা সময়ত গ্ৰহন কৰা হল আৰু সেইদিনাই অন্য নিবিদাকাৰী নিবিদা খোলা থকাৰ সময়ত উপস্হিত থাকিব পাৰিব ।

**১৩) (ক)** বিক্ৰী কৰিব খোজা প্ৰতিখন মীন মহলৰ /সমূহীয়া মীন মহলৰ কাৰণে একোখনকৈ নিবিদা দাখিল কৰিব লাগিব । প্ৰতিখন নিবিদাৰ মাচুল বাবদ ১০.০০ টকাৰ ভাৰতীয় বেংকৰ চেক /বেংক দাফট পোষ্টেল অৰ্ডাৰ গাঠি নিদিলে সেই নিবিদা বিবেচনা কৰা নহব ।যিকোনো কাৰণতে উল্লেখিত মাচুল ঘুৰাই দিয়া নহব ।

**(খ)** প্ৰতিখন নিবিদাৰ আয়কৰ, বিক্ৰি কৰ আদায়ৰ প্ৰমান পত্ৰ জাতি সম্প্ৰদায়ৰ প্ৰমান পত্ৰ(প্ৰকৃত মাছমৰীয়া প্ৰমান পত্ৰ) মীন ৰাজহ বাকী নথকাৰ প্ৰমান পত্ৰ দাখিল কৰিব লাগিব ।

**(গ)** নিবিদাৰ কাৰীয়ে ভুল তথ্য ও বিবৰণ দিছে বুলি প্ৰমান হয়, তেনেহলে নিবিদা কাৰীক বন্দোবস্তী দিয়া নহব বা বন্দোবস্তী ৰদ কৰা হব ।

**১৪/** মে মাহৰ এক তাৰিখৰ পৰা জুলাই মাহৰ পোন্ধৰ তাৰিখলৈকে নেট আদিৰে মাছ মৰা ব ৭ চেঃমিঃ তলৰ বহল মহাজাল/বৰজাল ফেছিজাল /মচুৰীজাল আদিৰে মাছ মৰা বন্ধ ৰাখিব লাগিব ।

**(ক)** মাছ কণী দিয়া সময়ত চোৱাত অৰ্থ্যা মে মাহৰ ১ (এক) তাৰিখৰ পৰা জুলাই মাহৰ ১৫ (পোন্ধৰ) তাৰিখলৈকে (দুয়োদিন ধৰি) কণী হোৱা মাছ যেনে-ৰৌ,কাটলা, মৃগৰ, খৰিয়া আৰু কুহি মাছ মৰা বা ধৰা নিষেধ ।

**(১)** ৰৌ, কাটলা, মৃগৰ, খৰিয়া, পিঠিয়া, ঘৰীয়া(১৩ চেঃমিঃ দীঘল তল) মাছ মৰা নিষেধ ।

**(২)** মালী, কুহি আৰু ভাঙ্গোন(১০ চেঃমিঃ দীঘল তল) মাছ মৰা নিষেধ ।

(খ) মীন মহলৰ ডোবা বা বিল আদি ওপৰত ১২ নং(ক) দফাত উল্লেখ কৰাতকৈ সৰু ধৰণৰ মাছ জালত উঠে তেন্তে জীয়াই জীয়াই পুনৰ মীন মহলত এৰি দিব লাগিব । নাইবা পট্টাদৰে মীন বিভাগত জমা দিব লাগিব ।

১৫/ মে মাহৰ ১(এক) তাৰিখৰ পৰা জুলাইমাহৰ ১৫ (পোন্ধৰ) তাৰিখলৈকে ৭ ছেঃমিঃ তলৰ চলিত বান মাছ মৰা সঁজুলি হিচাপে ব্যৱহাৰ কৰিব নোৱাৰিব ।

১৬/ ১ মেৰ পৰা ১৫ (পোন্ধৰ) জুলাইৰ বাহিৰে মাছ মৰা সময়ত পানী ওলাই যোৱা নলা /বাট/জান আদিত ৭ ছেঃমিঃ তলৰ বান ব্যৱহাৰ কৰিব পাৰিব ।

১৭) উপায়ুক্তই বান্ধি দিয়া নিৰিখত জিলাৰ সকলো ঠাইতে যথেষ্ট সংখ্যক মাছ যোগান ধৰিব লাগিব । ৰাজ্য চৰকাৰৰ বিনা অনুমতিত মাছ এই ৰাজ্যৰ বাহিৰলৈ নিব নোৱাৰিব ।

১৮) কৃতকাৰ্য্য হোৱা নিবিদাকাৰীয়ে নিজ নামত থকা মাটি ম্যাদী পট্টাৰ জমাবন্দী সত্য প্ৰতিলিপি অথবা অৰস্হা টনকীয়াল সেই সম্বন্ধে গ্ৰহনযোগ্য প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব । ইয়াৰ ওপৰিও নিবিদাকাৰীয়ে যে চৰকাৰৰ ওচৰত ধাৰ বা কৰ আদি দিবলগীয়া বাকী নাই সেই সম্বন্ধে প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব ।

১৯) খেতি বাবে বিজুলী চালিত পাম্প মীন মহলৰ পানী উঠোৱাত মহলদাৰে আপত্তি কৰিব নোৱাৰিব ।

| বন্দোৱস্তী দিবলগা মীন মহলৰ নাম | কোন পৰ্য্যায়ত অন্তভূক্ত | আগৰ বছৰৰ বাৰ্ষিক মীন ৰাজহৰ পৰিমান | কোন তাৰিখৰ পৰা বন্দোৱস্তী হব |
|---|---|---|---|
| ১৪৬ নং চলিহা মীন মহল । | ৪০% | ৭০,০০০/- টকা (সত্তৰ হাজাৰ) | বন্দোৱস্তী দিয়া হুকুমৰ সময়ৰ/তাৰিখৰ পৰা ৫ বছৰৰ বাবে । |

উপায়ুক্ত,
মৰিগাঁও।

স্মাৰক নং এম,আৰ, এফ.০২/২০২২/০৪

তাৰিখ - ৩১/০৬/২০২২

**ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বিহিতাৰ্থে প্ৰেৰণ কৰা হল :-**

১। আযুক্ত, মধ্য অসম সংমণ্ডল, নগাঁও ।
২। সচিব মীন বিভাগ, দিশপুৰ (অসম) ।
৩। উপায়ুক্ত, নগাওঁ/কামৰূপ মেট্ৰ/কামৰূপ /শোনিতপুৰ/হোজাই/কলিয়াবৰ জিলা।
৪। মূখ্য কাৰ্যবাহী বিষয়া, জিলা পৰিষদ, মৰিগাওঁ ।
৫। চক্ৰ বিষয়া মৰিগাঁও/মায়ং/মিকিৰভেটা/লাহৰিঘাট/ভূৰাগাওঁ ৰাজহ চক্ৰ ।
৬। জিলা মীন উন্নয়ন বিষয়া, মৰিগাওঁ ।
৭। সমবায় সমূহৰ সহকাৰী পঞ্জীয়ক মৰিগাওঁ ।
৮। মৰিগাওঁ জিলাৰ সকলো খণ্ড উন্নয়ন বিষয়া ।
৯। জিলা তথ্য ও জনসংযোগ বিষয়া মৰিগাওঁ ।
১০। সকলো মীন মহলৰ মহলদাৰলৈ ।
১১। উপায়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক।

অতিৰিক্ত উপায়ুক্ত,
মৰিগাঁও।